**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-09-2025 **Time :** 1910 Hrs.

***Assamese EveningBulletin***

***<u>HEADLINES</u>***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ডিজিটেল যুগত উপলব্ধ শিক্ষণ সম্পদসমূহৰ সদ্ব্যৱহাৰ কৰিবলৈ শিক্ষাৰ্থীসকলৰ প্ৰতি আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চেমিকন ইণ্ডিয়া-২০২৫ শীৰ্ষ সন্মিলনৰ দ্বিতীয় দিনা অৰ্ধপৰিবাহী খণ্ডৰ বিশেষজ্ঞসকলৰ সৈতে মত বিনিময় কৰে।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ অধ্যক্ষতাত নতুন দিল্লীত জি এছ্ টি পৰিষদৰ ৫৬ সংখ্যক বৈঠক অনুষ্ঠিত হৈছে।

৪। অৰুণাচল প্ৰদেশৰ ইটানগৰত কাইলৈ তৃতীয় পূৰ্বোত্তৰ বিমান পৰিবহন সন্মিলন অনুষ্ঠিত হ'ব। **আৰু**

৫। ৰাজগীৰত অনুষ্ঠিত পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ত কিছু সময় পাছতে ভাৰত কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ডিজিটেল যুগত উপলব্ধ শিক্ষণ সম্পদসমূহৰ সদ্ব্যৱহাৰ কৰিবলৈ শিক্ষাৰ্থীসকলৰ প্ৰতি আহ্বান জনাইছে। তামিলনাডুৰ তিৰুৱৰুৰৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে দেশৰ বিকশিত উদ্যোগ খণ্ডত ছাত্ৰ-ছাত্ৰীসকলে পৰ্যাপ্ত পৰিমাণৰ সুবিধা লাভ কৰিব পাৰিব। প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ ৰাধাকৃষ্ণণৰ বাণী উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে শিক্ষাৰ গুৰুত্ব হৈছে শিকি যোৱা আৰু জ্ঞান তথা বুদ্ধিমত্তাৰ বিকাশ ঘটোৱা। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নতুন শিক্ষা নীতিৰ পুনৰ অন্বেষণ কৰিবলৈ আৰু সমাজৰ বিকাশত অৰিহনা যোগাবলৈ আহ্বান জনায়। এগৰাকী শিক্ষয়িত্ৰী হিচাপে নিজৰ কৰ্মৰ কথা সুঁৱৰি শ্ৰীমতী মুৰ্মুৱে কয় যে এবাৰ যি শিক্ষক হয় তেওঁ সদায়েই শিক্ষক হৈয়ে থাকে। কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে শিক্ষাৰ উচ্চ পৰ্যায়ৰ গুণগত মান নিৰ্ণয় কৰিছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই বিশ্ববিদ্যালয়ে গ্ৰামাঞ্চল আৰু অতিকৈ পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা লাভ সুনিশ্চিত কৰি তেওঁলোকক ভৱিষ্যতে সুনাগৰিক হিচাপে গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ যশোভূমিত অনুষ্ঠিত চেমিকন ইণ্ডিয়া-২০২৫ শীৰ্ষ সন্মিলনৰ দ্বিতীয় দিনা অৰ্ধপৰিবাহী খণ্ডৰ বিশেষজ্ঞসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰাৰ লগতে অৰ্ধপৰিবাহী খণ্ডৰ বিভিন্ন সামগ্ৰী আৰু প্ৰকল্পও প্ৰত্যক্ষ কৰে। সন্মিলনত বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱ উপস্থিত থাকে। শ্ৰীমোদীয়ে আজি চেমিকন ইণ্ডিয়া শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰা বিভিন্ন কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে ঘূৰণীয়া মেজমেলত মিলিত হয়। বিশ্ব বিভিন্ন প্ৰান্তৰ ঔদ্যোগিক নেতাসকলে এই ঘূৰণীয়া মেজমেলত অংশ লয়। বৈঠকত ভাৰতৰ অৰ্ধপৰিবাহী

খণ্ডৰ বাবে অনুকুল ব্যৱস্থা আৰু ইয়াৰ বিকাশ সন্দৰ্ভত আলোচনা কৰা হয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি এই তিনিদিনীয়া সন্মিলন মুকলি কৰে। ভাৰতক গোলকীয় চেমিকণ্ডাক্টৰ যোগান শৃংখলাত বিশ্বাসযোগ্য অংশীদাৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে এই সন্মিলনৰ আয়োজন কৰা হৈছে। চেমিকণ্ডাক্টৰ আৰ্হি, উৎপাদন আৰু প্ৰযুক্তিৰ বিকাশৰ কেন্দ্ৰ হিচাপে পৰিগণিত হোৱাৰ ভাৰতৰ দৰ্শনৰ দিশত এই চেমিকন ইণ্ডিয়া সন্মিলন গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচনা কৰা হৈছে।

ooooo

নতুন দিল্লীত সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ জি এছ টি পৰিষদৰ ৫৬ সংখ্যক বৈঠক চলি আছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে এই দুদিনীয়া বৈঠকত অধ্যক্ষতা কৰিছে। বৈঠকত কৰৰ হাৰ যুক্তিসংগত কৰা আৰু নীতি-নিয়মৰ সৰলীকৰণকে ধৰি দেশৰ ভৱিষৎ প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ বিষয়ে আলোচনা কৰাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধাৰী, দিল্লী, গোৱা, হাৰিয়ানা, জম্মু-কাশ্মীৰ, মেঘালয় আৰু ওড়িশাৰ মুখ্যমন্ত্ৰীয়ে বৈঠকত অংশগ্ৰহণ কৰিছে। অৰুণাচল প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ আৰু তেলেংনাৰ উপমুখ্যমন্ত্ৰী, মণিপুৰৰ ৰাজ্যপাল আৰু কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিত্তমন্ত্ৰীসকলে বৈঠকত ভাগ লৈছে।

সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত অন্ধ্ৰপ্ৰদেশৰ বিত্তমন্ত্ৰী পায়াবুলা কেশৱে কয় যে তেওঁৰ দলে কেন্দ্ৰীয় চৰকাৰে জি এছ টি খণ্ডৰ গুৰুত্বপূৰ্ণ সংস্কাৰৰ বাবে আগবঢ়োৱা প্ৰস্তাৱসমূহৰ সমৰ্থন কৰিব। তেওঁ কয় যে অধিকাংশ সংস্কাৰে জনসাধাৰণক সহায় কৰিব।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা মাহত স্বাধীনতা দিৱস উপলক্ষে দিয়া ভাষণত সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাৰ পৰা দেশ কিদৰে উপকৃত হৈছে সেই বিষয়ে উল্লেখ কৰিছিল। শ্ৰীমোদীয়ে জি এছ টিৰ পৰৱৰ্তী সংস্কাৰৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ইয়াৰ ফলত সাধাৰণ লোক, কৃষক, মধ্যবিত্ত শ্ৰেণীৰ লোক আৰু ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগীসকলে সকাহ পাব বুলি উল্লেখ কৰিছিল। কেন্দ্ৰীয় চৰকাৰে এখন আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ উদ্দেশ্যে বিগত মাহত মন্ত্ৰীগোটক জি এছ টিৰ বিশেষ সংস্কাৰৰ প্ৰস্তাৱ দিছিল।

ooooo

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি নতুন দিল্লীত বহনক্ষম ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়নৰ বাবে উদ্ভাৱনীমূলক নীতি গ্ৰহণ সন্দৰ্ভত এখন পৰামৰ্শমূলক কৰ্মশালাত অধ্যক্ষতা কৰে। এই কৰ্মশালাত বিশ্বমানৰ বহনক্ষম আৰু ভৱিষ্যতৰ বাবে সাজু পৰিবহন আন্তঃগাঁথনি সৃষ্টি কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত আলোকপাত কৰাৰ লগতে বিশেষকৈ বৰ্ধিত নগৰাঞ্চলৰ চৌপাশে যান-বাহনৰ ভিৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী অজয় টাম্‌টা আৰু হৰ্ষ মলহোত্ৰা, ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া তথা পৌৰ সভাৰ আয়ুক্তসকল উপস্থিত থাকে। মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে অনুষ্ঠানত মূল চহৰসমূহৰ পৰা যান-জঁট হ্ৰাস কৰাৰ বাবে ৰিং ৰোড আৰু বাইপাছ নিৰ্মাণকে ধৰি উদ্ভাৱনীমূলক নীতিগত হস্তক্ষেপ সন্দৰ্ভত আলোচনা কৰা হয়।

ooooo

অৰুণাচল প্ৰদেশৰ ইটানগৰত কাইলৈ তৃতীয় পূৰ্বোত্তৰ বিমান পৰিবহন সন্মিলন অনুষ্ঠিত হ'ব। এই সন্মিলন হৈছে অসামৰিক বিমান পৰিবহন সন্দৰ্ভত উত্তৰ পূৰ্বাঞ্চল খণ্ডৰ মন্ত্ৰীসকলৰ সন্মিলন। এই

সন্মিলনত উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ পৰিবহন মন্ত্ৰী, নীতি নিৰ্মাতা আৰু ঔদ্যোগিক নেতাসকলে অংশগ্ৰহণ কৰিব। তেওঁলোকে আঞ্চলিক যোগাযোগ বৃদ্ধি কৰা তথা এই খণ্ডত বিমান পৰিবহনৰ সম্ভাৱ্য অন্যান্য দিশসমূহ উন্নত কৰা সন্দৰ্ভত কেন্দ্ৰীয় বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডু কিঞ্জাৰাপু আৰু ৰাজ্যমন্ত্ৰী মুৰলীধৰ মহলৰ সৈতে আলোচনা কৰিব। সন্মিলনত সম্প্ৰতি বিদ্যমান আৰু নতুন বিমান বন্দৰৰ সম্প্ৰসাৰণ আঁচনি, হেলিকপ্টাৰ সেৱাৰ প্ৰসাৰ, সৰু বিমান, ড্ৰোণৰ লগতে বিমানৰ মেৰামতিকে ধৰি বিভিন্ন বিষয়ত আলোচনা অনুষ্ঠিত হ'ব।

অসম আৰু মেঘালয়ৰ পাছত অৰুণাচল প্ৰদেশ চৰকাৰে প্ৰথম বাৰৰ বাবে এই সন্মিলনৰ আয়োজন কৰিছে। অসামৰিক বিমান পৰিবহন মন্ত্ৰালয় আৰু ফেডাৰেচন অব ইণ্ডিয়ান চেম্বাৰ্ছ অব কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীৰ যৌথ উদ্যোগত এই সন্মিলনৰ আয়োজন কৰা হৈছে।

00000

জম্মু-কাশ্মীৰৰ ৰিয়েছি জিলাৰ চালাল বান্ধৰ ওপৰৰ অংশত বিগত কেইবাদিনো ধৰি হৈ থকা প্ৰবল বৰষুণৰ প্ৰতি লক্ষ্য ৰাখি কৰ্তৃপক্ষই বান্ধটোৰ আটাইকেইখন গেট খুলি দিছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে বান্ধটোৰ সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত সজাগতামূলক ব্যৱস্থা হিচাপে তথা ইয়াৰ ওপৰেৰে বৈ যোৱা পৰ্যাপ্ত পৰিমাণৰ পানী নিয়ন্ত্ৰণৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। বান্ধটোৰ পৰা পানী এৰি দিয়াৰ ফলত চেনাব আৰু ইয়াৰ উপনদীসমূহৰ পানী বাঢ়ি যোৱাৰ আশংকা কৰা হৈছে। ইয়াৰ ফলত নদীৰ নামনি অংশত আৰু ইয়াৰ পাৰত থকা গাঁওসমূহ ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা কৰা হৈছে। এনে সম্ভাব্য পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উদ্ধাৰ আৰু সাহায্য বাহিনী সাজু কৰি ৰখাৰ লগতে কৰ্তৃপক্ষই যিকোনো ধৰণৰ দুৰ্ঘটনা প্ৰতিহত কৰাৰ বাবে পৰিস্থিতি নিৰন্তৰ নিৰীক্ষণ কৰি আছে।

ইপিনে, নতুন দিল্লীত কেইবাদিনো ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত যমুনা নদীয়ে আজি পুৱা বিপদসীমা অতিক্ৰম কৰিছে। ৰাজধানী চহৰখনৰ বাসিন্দাসকলক বানৰ কবলত পৰাৰ আশংকা কৰি বহু লোকক নিৰাপদ ঠাইলৈ স্থানান্তৰ কৰা হৈছে।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ, পাঞ্জাৱ আৰু হাৰিয়ানাত প্ৰবল বৰষুণৰ সম্ভাৱনা প্ৰকাশ কৰি ৰেড এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে দেশৰ পূব অংশৰ ঝাৰখণ্ড, ওড়িশা আৰু ছত্তিশগড়তো ধাৰাসাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে।

00000

পাকিস্তানৰ উত্তৰ-পশ্চিমৰ খাইবাৰ পখতুনখোৱা প্ৰদেশত আজি অচিনাক্ত দুৰ্বৃত্তই এখন যাত্ৰীবাহী বাহনলৈ মুকলিকৈ গুলীচালনা কৰাৰ ফলত কমেও ছজন লোকৰ মৃত্যু হয়। স্থানীয় আৰক্ষীয়ে জনোৱা মতে যাত্ৰীভৰ্তি বাহনখনে দাৰাদাৰৰ পৰা ছাদ্দা অভিমুখে গৈ থকা অৱস্থাত আফগানিস্তান সীমান্তৰ কুৰ্ৰাম জিলাৰ মহুৰাৰ সমীপত সন্দেহযুক্ত সন্ত্ৰাসবাদীয়ে হঠাতে আক্ৰমণ চলায়। আক্ৰমণৰ পাছতে সন্ত্ৰাসবাদীকেইজন পলাই যাবলৈ সমৰ্থ হয় বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

ইপিনে, খাইবাৰ পখতুনখোৱাৰ এটা অৰ্ধসামৰিক বাহিনীৰ মুখ্য কাৰ্যালয়ত কালি সুৰক্ষা বাহিনীয়ে সন্ত্ৰাসবাদীৰ আক্ৰমণ প্ৰতিহত কৰাৰ সময়ত ছজন জোৱান আৰু পাঁচজন সন্ত্ৰাসবাদী নিহত হয় বুলি সেনাই প্ৰকাশ কৰিছে।

00000

ৰাছিয়াৰ তেল আৰু অন্যান্য সামগ্ৰীৰ আমদানি অব্যাহত ৰখাৰ ক্ষেত্ৰত আমেৰিকাৰ হেঁচাত নতশিৰ নোহোৱা ভাৰতৰ স্থিতিক মস্কোৱে প্ৰশংসা কৰিছে। ইণ্ডোনেছিয়াৰ সংবাদ মাধ্যমৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছাৰ্গেই লাভৰ'ভে কয়,যে ভাৰতৰ এই কাৰ্যই মুক্ত বাণিজ্য নীতিৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। ইয়াৰ পূৰ্বে আগষ্ট মাহত মস্কোত ভাৰতৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী এছ জয়শংকৰৰ সৈতে হোৱা অন্তিমখন বৈঠকৰ সময়ত লাভৰ'ভে চাংহাই সহযোগিতা সংস্থা,ব্ৰিকছ আৰু জি ২০ ৰ দৰে বিশ্বব্যাপী মঞ্চত ৰাছিয়া আৰু ভাৰতৰ মাজত থকা বহুপক্ষীয় সহযোগিতাৰ প্ৰশংসা কৰে। উল্লেখযোগ্য যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে চলিত বৰ্ষৰ শেষৰফালে এখন সন্মিলনত অংশ গ্ৰহণৰ বাবে ভাৰত ভ্ৰমণ কৰিব।

০০০০০

বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হৈছে। ভাৰত আজি ছুপাৰ ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে আজি বিয়লি অনুষ্ঠিত এখন খেলত জাপানে চাইনিছ টাইপেইক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। জাপানে খেলখনৰ আৰম্ভণিৰ পৰাই সুন্দৰ প্ৰদৰ্শনেৰে দুটাকৈ গ'লেৰে নিজৰ আধিপত্য বজাই ৰাখে।

০০০০০

সমাপ্ত